**দিনাংক- ১০ মাৰ্চ ২০১৪**

# যেতিয়া পূণ্য পাপৰ সৈতে সন্মিলিত হয়

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

২০১৪ চনৰ সাধাৰণ নিৰ্বাচনৰ দৌৰত যোৱা ২৪ ঘণ্টা যথেষ্ট ঘটনাবহুল আছিল । বৰ্ত্তমান বিজেপি ত সমৱেত হোৱাৰ দৌৰ চলি আছে । দাৰ্জিলিং আৰু নৰ্থ বেংগলৰ কিছু সমষ্টিত গোৰ্খা জনমুক্তি ম'ৰ্চ্ছাই বিজেপি ক সহযোগ কৰাৰ সিদ্ধান্ত লৈছে । ই বিজেপি ৰ বিজয় অভিযান আৰু অধিক সৰল কৰি তুলিব । বেংগলত কিছু আসন লাভ কৰাতো সম্ভৱপৰ হৈ পৰিব । ঠিক একে সময়ত অসম গণ পৰিষদৰ পুৰ্বৰ সভাপতি শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰীয়েও বিজেপি ত যোগ দিয়াৰ সিদ্ধান্ত লৈছে । অসমৰ বহুতো আসনত বিজেপি ৰ প্ৰাৰ্থী বিজয়ী হোৱাৰ সম্ভাৱনা আছে । এ জি পি ৰ বহুতো গুৰুত্বপূৰ্ণ নেতা বিজেপি ত যোগ দিয়াৰ বাবে অসমত বিজেপি কংগ্ৰেছ বিৰোধী একমাত্ৰ দ'ল হিচাপে পৰিগণিত হৈছে ।

বিভিন্ন ৰাজ্যত দ'ল ত্যাগ কৰি বহুতো ব্যক্তিয়ে বিজেপি ক যোগ দি শক্তিশালী কৰি তুলিছে । বিশেষকৈ কৰ্ণাটকা, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাড়ুৰ দ্বৰে দক্ষিণ ভাৰতীয় ৰাজ্যৰ বৰ্ত্তমান পৰিস্থিতিৰ সন্দৰ্ভত আগন্তুক কিছু দিন বিজেপি আৰু এন ডি এ ৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ হ'ব । এনে ধৰণৰ বিকাশে বিজেপি ক ভাৰতৰ পূৱ আৰু দক্ষিণ প্ৰান্তত শক্তিশালী কৰি তুলিব য'ত পৰম্পৰাগতভাৱে তেওঁলোক দূৰ্বল আছিল ।

ঠিক একে সময়ত কংগ্ৰেছ আৰু আম আদমী পাৰ্টি দুয়োটাৰ মাজত কিছু বিকাশ পৰিলক্ষিত হৈছে । মধ্যপ্ৰদেশৰ ভিন্দৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীয়ে দ'লীয় মনোনয়ন নাকচ কৰে আৰু বিজেপি ক যোগ দিয়াৰ সিদ্ধান্ত লয় । চণ্ডীগড় এনে সমষ্টি য'ত আম আদমী দ'লে ব্হুত সমৰ্থন থকাৰ দাবী কৰে । চণ্ডীগড়ৰ পৰা তেওঁলোকৰ প্ৰাৰ্থীয়ে দ'লীয় মনোনয়ন উভতাই দিয়াৰ সিদ্ধান্ত লয় যিহেতু প্ৰাৰ্থীয়ে

ভাৱে যে দ'লীয় সংগঠনে নিৰ্বাচনক লৈ তেওঁক সহযোগ কৰা নাই ।  দ'লৰ বহুতো প্ৰাৰ্থীয়ে নিজকে সবল প্ৰাৰ্থী বুলি বিবেচনা কৰে । দ'লৰ কোনো লোকেই পৰাজয়বৰণ কৰিব বুলি নাভাবে । তথাপিও দ'লীয় প্ৰাৰ্থীৰ নাম ঘোষনা কৰাৰ পাছত প্ৰাৰ্থীত্ব নাকচ কৰা কেতিয়াও হোৱা নাই । এইয়া তেতিয়াহে হয় যেতিয়া  প্ৰাৰ্থীয়ে ভাৱে যে তেওঁ পৰাজিত হ'ব ।

আম আদমী পাৰ্টিৰ সংবাদ মাধ্যমৰ সৈতে অন্তৰংগ সম্পৰ্ক শেষ হৈছে । যি সকল সংবাদ মাধ্যমে আম আদমী পাৰ্টিৰ কাৰ্য্যক প্ৰায়ে সম্প্ৰচাৰ কৰিছিল, এতিয়া তেওঁ লোকেও আন দ'লৰ দ্বৰে পৰীক্ষা-নিৰীক্ষা কৰিহে সংবাদ প্ৰচাৰ কৰে । সংবাদ মাধ্যমত অত্যাধিক প্ৰচাৰে আম আদমী পাৰ্টিক বিজেপি ৰ বিৰুদ্ধে প্ৰস্তুত কৰিছিল । কিন্তু আচল অৰ্থত তেওঁলোক কংগ্ৰেছৰহে বিৰুদ্ধে । এক আকৰ্ষনীয় ভিডিঅ' ইউ টিউবত প্ৰচাৰ কৰা হৈছে । সেই ভিডিঅ'ত সাক্ষাৎকাৰ ৰেকৰ্ড কৰাৰ পাছত প্ৰতিষ্ঠিত সংবাদ মাধ্যমৰ ঘোষকৰ সৈতে আম আদমী পাৰ্টিৰ সভাপতি অন্তৰংগ আলাপ দেখুওৱা হৈছে । দুয়োৱে সাক্ষাৎকাৰৰ কোন অংশত জোৰ দিব লাগে আৰু কোন অংশ দেখুৱাব নালাগে সেই বিষয়ে আলোচনা কৰিছে । তেওঁলোকে কোন অংশক কেন্দ্ৰবিন্দু কৰিব আৰু কোন অংশ দেখুৱালে আম আদমী পাৰ্টিয়ে মধ্যবৰ্গীয় সমৰ্থন হেৰুৱাব পাৰে তাৰে ওপৰত কৌশলপূৰ্ণ আলোচনা কৰি আছিল । আমি কোনো ঘোষক অথবা সংবাদ মাধ্যম প্ৰতিষ্ঠানৰ দ্বাৰা এনে সুবিধা লাভ কৰাৰ সুযোগ পোৱা নাই । বন্ধুত্বপূৰ্ণ আৰু অন্তৰংগ সাক্ষাৎকাৰৰ জড়িয়তে এক বিশেষ প্ৰতিচ্ছবি সৃষ্টি কৰাটো আম আদমী পাৰ্টিৰ কৌশল । এইয়া নিকাভাৱে স্পষ্ট হৈ গৈছে যে দ'ল আৰু তেওঁৰ নেতৃত্বই আচলতে যি দেখুৱাব'লৈ চেষ্টা কৰিছে, সেইয়া নহয় । তেওঁলোকে নিজৰ ছবি যেনেদ্বৰে প্ৰস্তুত কৰিছে সেইয়া সচাঁ নহয় । সত্যতা আৰু দেখুওৱা সম্পূৰ্ণ বেলেগ । যেতিয়া পূণ্য পাপৰ সৈতে সন্মিলিত হয়, তেতিয়া আপুনি সেইয়া ষড়যন্ত্ৰ বুলি ভাৱিব নোৱাৰে ।